# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

– – – – – – – –

লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে হাতত লোৱা ব্যৱস্থাৱলীসমূহ ব্যক্ত কৰে। জনতা ভৱনত আয়োজিত এখন সংবাদমেলক সম্বোধন কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ৰাজ্যত মুঠ ভোটাৰৰ সংখ্যা ২ কোটি ৪৩ লাখ এহাজাৰ ৯৬০ গৰাকী বুলি জানিবলৈ দিয়ে। ইয়াৰ ভিতৰত  ১ কোটি ২১ লাখ ৭৯ হাজাৰ ৩৫৮ জন পুৰুষ ভোটাৰৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা ১ কোটি ২১ লাখ ২২ হাজাৰ ১৮৮ গৰাকী। ৰাজ্যত সৰ্বমুঠ ৪১৪ জন তৃতীয় লিংগৰ ব্যক্তিয়ে ভোটদাতা হিচাপে নাম পঞ্জীয়ন কৰিছে। অৱশ্যে তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা প্ৰকাশ হোৱালৈকে ভোটাৰৰ সংখ্যা বৃদ্ধি পাব শ্ৰীগোৱেলে জানিবলৈ দিয়ে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে এইবাৰৰ নিৰ্বাচনত বঙাইগাঁৱত এটা, কামৰূপ মহানগৰ জিলাত ৩টা আৰু কামৰূপ জিলাত এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি পোৱাৰ ফলত সৰ্বমুঠ ৫টা ভোটকেন্দ্ৰ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে। ৰাজ্যত সৰ্বমুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৮ হাজাৰ ৬৫৪টা। ইয়াৰ ভিতৰত ২৬২টা কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত এহাজাৰ ৪০৯টা কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ৰাজ্যৰ ৫০টা স্থানত ১২৬টা ষ্ট্ৰং ৰূমৰ ব্যৱস্থা থাকিব বুলিও শ্ৰীগোৱেলে প্ৰকাশ কৰে।

শ্ৰীগোৱেলে লগতে কয় যে, তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ ১০ দিন আগলৈকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে যোগ্য নাগৰিকে আৱেদন জনাব পাৰিব। এই আৱেদনসমূহৰ ভিত্তিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

নিৰ্বাচন সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে ৩৪ হাজাৰ ৩৮০টা ভোটিং মেচিন আৰু ৩৭ হাজাৰ ২৪৫টা ভিভি পেট সাজু কৰা হৈছে বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে অৱগত কৰে। অহা ২০ মাৰ্চৰ পৰা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত ভোটিং মেচিনসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা বা অবৈধ ধনৰ লেনদেনকে ধৰি সম্ভাব্য অনিয়মসমূহ পৰ্যবেক্ষণ কৰাৰ বাবে ফ্লায়িংস্কোৱাডকে ধৰি নিৰীক্ষণকাৰী গোট গঠন কৰা হ'ব বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, ১৫ হাজাৰ ৭৭৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা থাকিব। ইলেক্ট্ৰনিক ভোটিং মেচিন কঢ়িওৱা বাহনসমূহত জিপিএছ ব্যৱস্থা সংলগ্ন কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষৰ পৰা এইসমূহৰ অবিৰত নিৰীক্ষণ কৰা হ'ব।

শ্ৰীগোৱেলে ৮৫ বছৰ অতিক্ৰম কৰা জ্যেষ্ঠ নাগৰিক, ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধকতা থকা দিব্যাংগ ব্যক্তি আৰু কোভিড পজিটিভ লোকৰ বাবে পোষ্টেল বেলটত ঘৰৰ পৰা ভোটদানৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ বাবে নিৰ্দিষ্ট ব্যক্তিয়ে নিৰ্ধাৰিত আৱেদনপত্ৰ পূৰণ কৰিব লাগিব। নিৰ্বাচনী দায়িত্বত থকা বিষয়া,

আৰক্ষী, শ্ৰমিক আদিয়েও পোষ্টেল বেলট সুবিধা কেন্দ্ৰত ভোটদান কৰিব পাৰিব। ৰাজ্যত ৪৫ হাজাৰ ১৭৬ জন দৃষ্টিহীন ভোটদাতা থকাৰ পৰিপ্ৰেক্ষিতত ব্ৰেইল পদ্ধতিৰ বেলট আৰু ভোটাৰ শ্লিপৰো ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচন পৰিচালনাৰ বাবে ৬০টা অৰ্ধসামৰিক বাহিনীৰ সহায় লাভ কৰা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচনী বিষয়া শ্ৰীগোৱেলে কয় যে, নিৰ্বাচনৰ সময়ত অতিৰিক্ত অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হ'ব। ৰাজনৈতিক দলসমূহে যিকোনো ধৰণৰ অনুজ্ঞা লাভৰ বাবে Xubidha.Eci.gov.in প'ৰ্টেলত আৱেদন কৰিব পাৰিব। নিৰ্বাচন বিষয়ক যিকোনো ওজৰ-আপত্তিৰ বাবে ১৯৫০ টোলফ্ৰী নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত আজি ৰাজ্যৰ বিভিন্ন জিলাত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে হাতশিঙিমাৰী জিলা প্ৰশাসনে এখন সংবাদমেল আয়োজন কৰি বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী ৮১টা কেন্দ্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে জিলাখনত ৭৪টা স্পৰ্শকাতৰ আৰু ৮১টা অতি স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰোপৰি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৫টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ আছে। মহিলা বিষয়াৰ দ্বাৰা পৰিচালনা কৰা ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৫টা। জিলাখনত সৰ্বমুঠ ২ লাখ ৯৬ হাজাৰ ৮৯২ গৰাকী ভোটদাতা আছে বুলি জানিবলৈ দি জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই কয় যে, ইয়াৰ ভিতৰত ১ লাখ ৪৭ হাজাৰ ৪৭ গৰাকী মহিলা ভোটদাতা। জিলাখনত তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ৩ গৰাকী বুলি আয়ুক্তগৰাকীয়ে অৱগত কৰে।

কোকৰাঝাৰ জনজাতি সংৰক্ষিত লোকসভা সমষ্টিৰ অধীনৰ চিডলী-চিৰাং সমষ্টিত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি চিৰাং জিলা আয়ুক্তই এখন সংবাদমেলক সম্বোধন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত সংবাদদাতা আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক সম্বোধন কৰি আয়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডীয়ে জিলাখনৰ মুঠ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত দুটা আদৰ্শ কেন্দ্ৰ, ২০টা মহিলাৰ দ্বাৰা পৰিচালিত কেন্দ্ৰ, এটা যুৱ কেন্দ্ৰ আৰু এটা দিব্যাংগ কেন্দ্ৰ স্থাপন কৰা হ'ব জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত